# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 19-12-2024
**Time :** 1800 Hrs

# *Assamese Evening Bulletin*
**- - - - - - - - - - - - - - -**

রাজ্য চৰকাৰে যোৱা ১১ ডিচেম্বৰত আৰম্ভ কৰা বিকাশৰ ১২ দিন শীৰ্ষক উন্নয়নমূলক কাৰ্যসূচীৰ আজি এসপ্তাহ সম্পূৰ্ণ হৈছে। বিগত সপ্তাহত বিভিন্ন জিলাত এই কাৰ্যসূচীৰ অংশ হিচাপে ড° বাণীকান্ত কাকতি মেধা বঁটাৰ অধীনত ৩২ হাজাৰ ৫৬২ গৰাকী ছাত্ৰ-ছাত্ৰী উপকৃত হৈছে। তদুপৰি ২ লাখ ১৩ হাজাৰৰো অধিক নৱম শ্ৰেণীৰ উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীক মুখ্য মন্ত্ৰীৰ বিশেষ আঁচনিৰ অধীনত চাইকেল প্ৰদান কৰা হৈছে। ১৮ হাজাৰ ৯৯৭ গৰাকী ছাত্ৰ-ছাত্ৰীক এই সময়ছোৱাত আনন্দৰাম বৰুৱা বঁটাৰ অধীনত বেংক একাউণ্টযোগে আৰ্থিক উদগণি প্ৰদান কৰা হৈছে। একেদৰে অসম মাইক্ৰ' ফাইনেন্স উদগণি আৰু সকাহ আঁচনিৰ অধীনত ৪৭ হাজাৰ ৬৭৬ গৰাকী মহিলাক ঋণমুক্তিৰ প্ৰমাণ পত্ৰ বিতৰণ কৰা হৈছে। বান ক্ষতিগ্ৰস্ত ৩ হাজাৰৰো অধিক লোকক আৰু খাদ্য প্ৰসংস্কৰণ উদ্যোগৰ বাবে ৪ হাজাৰ ছশৰো অধিক লোকক আৰ্থিক সাহায্য প্ৰদান কৰা হৈছে। চৰকাৰে এই সময়ছোৱাত প্ৰায় ১২ লাখ লোকক উন্নয়নমূলক আঁচনিৰ সুবিধা প্ৰদানৰ লক্ষ্য লৈছে।

জলসিঞ্চন মন্ত্ৰী তথা ঢেকিয়াজুলিৰ বিধায়ক অশোক সিংহালে আজি শোণিতপুৰ জিলাৰ ৩ হাজাৰ ১৪০গৰাকী হিতাধিকাৰীক ঋণমুক্ত প্ৰমাণ-পত্ৰ বিতৰণ কৰাৰ লগতে সমষ্টিটোৰ ৭৮ গৰাকী অনগ্ৰসৰ লোকক আৰ্থিক সাহায্যৰ চেক বিতৰণ কৰে। শিৱসাগৰ জিলাত এই উপলক্ষে আয়োজিত কাৰ্যসূচীত অংশগ্ৰহণ কৰি পৰিবহন মন্ত্ৰী যোগেন মহনে দুহেজাৰ ৮৪৫গৰাকী ঋণীলৈ ঋণমুক্তি প্ৰমাণ-পত্ৰ বিতৰণ কৰাৰ লগতে বানত ক্ষতিগ্ৰস্ত ১৮৬টা পৰিয়াললৈ পোনপটীয়াকৈ আৰ্থিক সাহায্য হস্তান্তৰ কৰে। তেওঁ লগতে প্ৰধানমন্ত্ৰী ক্ষুদ্ৰ খাদ্য প্ৰসংস্কৰণ উদ্যোগৰ অধীনত ৮৬গৰাকী হিতাধিকাৰীক আৰ্থিক সাহায্যৰ চেক বিতৰণ কৰে।

০০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ে অসমত পঞ্চায়ত নিৰ্বাচনৰ অধিসূচনা জাৰি কৰাৰ ক্ষেত্ৰত ৰাজ্যিক নিৰ্বাচন আয়োগৰ ওপৰত ৯ জানুৱাৰীলৈকে নিষেধাজ্ঞা আৰোপ কৰিছে। অসম চৰকাৰৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগে পঞ্চায়তৰ সমষ্টি পুনৰ নিৰ্ধাৰণ সন্দৰ্ভত যোৱা ৩ আগষ্টত জাৰি কৰা অধিসূচনাৰ প্ৰত্যাহ্বান জনাই জাৰি কৰা কেইবাখনো লেখ আবেদন সন্দৰ্ভত ন্যায়াধীশ সৌমিত্ৰ শইকীয়াৰ আদালতে ১৭ ডিচেম্বৰত এই নিৰ্দেশ জাৰি কৰে। আবেদনকাৰী সকলে কোনো এটা অঞ্চলত বৃহৎ জনসংখ্যা একেখন পঞ্চায়তৰ অধীনত অন্তৰ্ভুক্ত কৰাকে ধৰি কেইবাটাও সংশোধিত বিধিৰ বৈধতাৰ প্ৰত্যাহ্বান জনাইছিল। আদালতে এই গোচৰটোৰ পৰৱৰ্তী শুনানীৰ দিন অহা ৯ জানুৱাৰী ধাৰ্য কৰে আৰু তেতিয়ালৈকে পঞ্চায়ত নিৰ্বাচনৰ অধিসূচনা জাৰি নকৰিবলৈ ৰাজ্যিক নিৰ্বাচন আয়োগক নিৰ্দেশ দিয়ে।

০০০০০

অসম আৰক্ষীৰ বিশেষ কাৰ্যবাহিনীয়ে কেৰালা আৰু পশ্চিমবংগৰ আৰক্ষীৰ সৈতে যুটীয়াভাৱে চলোৱা অভিযানত ৮ জন মৌলবাদী সংগঠনৰ সদস্যক গ্ৰেপ্তাৰ কৰিছে। ইয়াৰ ভিতৰত কেৰালাৰ পৰা গ্ৰেপ্তাৰ কৰা

এজন অভিযুক্ত বাংলাদেশী নাগৰিক বুলি আৰক্ষীৰ সূত্ৰই প্ৰকাশ কৰিছে। **প্ৰঘাত** নামৰ অভিযানৰ অধীনত চোৰাংচোৰাৰ তথ্যৰ পম খেদি আৰক্ষীয়ে ৰাষ্ট্ৰ বিৰোধী কাৰ্যকলাপ প্ৰতিহত কৰাৰ চেষ্টা চলায়।

গ্ৰেপ্তাৰ কৰা লোককেইজনৰ পৰা ভালেসংখ্যক আপত্তিজনক নথি-পত্ৰ, মোবাইল ফোন আৰু কাৰিকৰী তথ্য প্ৰমাণ জব্দ কৰা হৈছে বুলি আৰক্ষীৰ সূত্ৰই প্ৰকাশ কৰিছে। এই তথ্য প্ৰমাণসমূহৰ পৰা আৰক্ষীয়ে এই লোককেইজনৰ বাংলাদেশ আৰু পাকিস্তানৰ কেতবোৰ সন্দেহজনক গোটৰ সৈতে সঘনে যোগাযোগ থকা বুলি নিশ্চিত হৈছে।

০০০০০

কেন্দ্ৰীয় চৰকাৰৰ চতুৰ্থ **সু-শাসন সপ্তাহ**ৰ সৈতে সংগতি ৰাখি ৰাজ্যৰ বিভিন্ন জিলাত আজিৰ পৰা ২৪ ডিচেম্বৰলৈ **প্ৰশাসন গাঁৱৰ ফালে** শীৰ্ষক অভিযান আৰম্ভ হৈছে। ইয়াৰ অংশ হিচাপে আজি চৰাইদেউ জিলাত বিভিন্ন কাৰ্যসূচীৰে **সু-শাসন সপ্তাহ** ২০২৪ উদযাপন কৰা হৈছে। প্ৰথম কাৰ্যসূচী হিচাপে জিলা আয়ুক্ত কাৰ্যালয়ত এখন সভা তথা কৰ্মশালাৰ আয়োজন কৰা হয়। এই সু-শাসন সপ্তাহত জনসাধাৰণৰ ওজৰ-আপত্তিসমূহ ক্ষিপ্ৰতাৰে নিষ্পত্তি কৰাৰ উদ্দেশ্যে জিলা আয়ুক্তৰ কাৰ্যালয়, ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়, খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়কে ধৰি অন্যান্য কাৰ্যালয়সমূহৰ বিশেষ শিবিৰৰ আয়োজন কৰা হৈছে।

০০০০০

ৰাজ্যত প্ৰতি বছৰে বানৰ সময়ত হোৱা দুৰ্যোগ প্ৰতিৰোধ কৰিবলৈ ৰাষ্ট্ৰীয় দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণ আৰু গৃহ পৰিক্ৰমা মন্ত্ৰালয়ৰ সহযোগত আজি ৰাজ্যজুৰি এলানি অনুশীলন কাৰ্যসূচী ৰূপায়ণ কৰা হয়। নগাঁও জিলা দুৰ্যোগ ব্যৱস্থাপনা কৰ্তৃপক্ষই আজি এলানি অনুশীলন কাৰ্যসূচী ৰূপায়ণ কৰে। সেই অনুসৰি জিলাখনৰ বিভিন্ন স্থানক মঞ্চায়ন এলেকা, বানপীড়িত লোকৰ অনুসন্ধান আৰু উদ্ধাৰ অভিযান এলেকা, সাহায্য শিবিৰ, চিকিৎসা প্ৰদান কেন্দ্ৰ হিচাপে লৈ ফিল্ড ড্ৰীল আৰু আখৰামূলক অনুশীলন অনুষ্ঠিত কৰা হয়। ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ দুগৰাকী পৰ্যবেক্ষকে এই অনুশীলন কাৰ্যসূচী সূক্ষ্মভাৱে নিৰীক্ষণ কৰে।

০০০০০

ডিমা হাছাও জিলাৰ হাফলঙত আজি প্ৰাথমিক শিক্ষা বিভাগৰ অধীনত ৩৪০গৰাকী প্ৰাৰ্থীক শিক্ষক হিচাপে নিযুক্তি পত্ৰ প্ৰদান কৰা হয়। উত্তৰ কাছাৰ পাৰ্বত্য স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য দেৱলাল গাৰ্লোছাই এই নিযুক্তি পত্ৰসমূহ বিতৰণ কৰে। শ্ৰীগাৰ্লোছাই নতুনকৈ নিযুক্তি লাভ কৰা শিক্ষকসকলক শিক্ষাৰ মান উন্নত কৰাত সহায় কৰিবলৈ নিষ্ঠাৰে কাম কৰিবলৈ আহ্বান জনায়।

০০০০০

কেন্দ্ৰীয় চৰকাৰে অৰুণাচল প্ৰদেশৰ পথ উন্নয়ন প্ৰকল্পৰ বাবে ৩৯৮ কোটি টকাৰ আৱণ্টন দিছে। কেন্দ্ৰীয় পথ পৰিবহন আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীয়ে কয়, যে কেন্দ্ৰীয় পথ আৰু আন্তঃগাথনি নিধিৰ অধীনত ২০২৪-২৫ বৰ্ষত ১৯ টা ৰাজ্যিক জিলা পথ উন্নয়ন প্ৰকল্পৰ বাবে এই পুঁজি মোকলাই দিয়া হৈছে। ইয়াৰ জৰিয়তে সীমান্ত অঞ্চলসমূহৰ অতি ভিতৰুৱা ঠাইসমূহতো যোগাযোগৰ ব্যৱস্থা সুচল কৰি তোলাৰ লগতে সমগ্ৰ ৰাজ্যখনতে সামাজিক-অৰ্থনৈতিক বিকাশৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। এই পদক্ষেপে কেন্দ্ৰীয় চৰকাৰৰ উত্তৰ-পূবৰ লোকসকলৰ জীৱন ধাৰণৰ মান উন্নত কৰা, ভিতৰুৱা অঞ্চলসমূহৰ আন্তঃগাথনিৰ লগতে আঞ্চলিক উন্নয়ন সাধনৰ ক্ষেত্ৰত চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতাক প্ৰতিফলিত কৰিছে বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০

সমাপ্ত